**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰতীয় নৌসেনাৰ যুদ্ধ জাহাজ আই এন এছ টেগে অ'মানৰ উপকূলৰ সমীপত এখন তেল পৰিবাহী জাহাজ বুৰ যোৰাৰ পাছৰে পৰা সন্ধানহীন হৈ থকা ৮গৰাকী ভাৰতীয় সহ চালক দলৰ ৯গৰাকী সদস্যক জীৱন্তে উদ্ধাৰ কৰিছে।

২। ন্যায়াধীশ নংমেইকপম কোটিশ্বৰ সিং আৰু ন্যায়াধীশ আৰ মহাদেৱনে উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি ৰূপে শপত গ্ৰহণ কৰিছে।

৩। বিদেশ সচিব বিক্ৰম মিস্ৰী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব।

আৰু

৪। ভাৰতৰ সুমিত নাগলে আজি ছুইডিছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত আৰ্জেণ্টিনাৰ মৰিয়ানো নৰোনেৰ সন্মুখীন হ'ব।

0000000

ভাৰতীয় নৌসেনাৰ আই এন এছ টেগ নামৰ যুদ্ধ জাহাজখনে অ'মানৰ উপকূলৰ সমীপত এখন তেল পৰিবাহী জাহাজ বুৰ যোৰাৰ পাছৰে পৰা সন্ধানহীন হৈ থকা ৮গৰাকী ভাৰতীয় সহ চালক দলৰ ৯গৰাকী সদস্যক জীৱন্তে উদ্ধাৰ কৰিছে। আন এগৰাকী সদস্যৰ দুৰ্ভাগ্যজনকভাৱে মৃত্যু ঘটিছে। বাকী ছগৰাকী সদস্যক সুকলমে উদ্ধাৰ কৰিবলৈ অ'মান সামুদ্ৰিক সুৰক্ষা কেন্দ্ৰই বৰ্তমানে সুৰক্ষা অভিযানৰ নেতৃত্ব লৈছে। উল্লেখযোগ্য যে কমৰোজৰ পতাকা বিশিষ্ট এম ভি প্ৰেষ্টিজ ফেলকন নামৰ তেল পৰিবাহী টেংকাৰখনৰ চালক দলত ১৩গৰাকী ভাৰতীয় আৰু তিনিগৰাকী শ্ৰীলংকাৰ নাগৰিক আছিল। ৰাছ মড্ৰকাহৰ পৰা প্ৰায় ২৫ সামুদ্ৰিক মাইল নিলগত তেল পৰিবাহী টেংকাৰখন বুৰ যোৰাৰ পাছত উদ্ধাৰ অভিযানত সহায় কৰাৰ বাবে ভাৰতীয় নৌসেনাৰ যুদ্ধজাহাজ আৰু P-81 শ্ৰেণীৰ এখন সামুদ্ৰিক তহলদাৰী বিমান নিয়োগ কৰা হৈছে। ভাৰতীয় দূতাবাসে কৈছে যে তেওঁলোকে ওমানৰ কৰ্তৃপক্ষৰ সৈতে অহৰহ যোগাযোগ ৰক্ষা কৰি আছে আৰু ওমানৰ সামুদ্ৰিক সুৰক্ষা কেন্দ্ৰ আৰু ভাৰতীয় নৌসেনাই অঞ্চলটোত যুটীয়াভাৱে উদ্ধাৰ অভিযান চলাই আছে।

000000000

বিদেশ সচিব বিক্ৰম মিস্ৰী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানলৈ যাব। উল্লেখযোগ্য যে বিদেশ সচিবৰূপে কাৰ্যভাৰ গ্ৰহণৰ পাছত শ্ৰী মিস্ৰীৰ এইটোৱে প্ৰথমটো আনুষ্ঠানিক বিদেশ ভ্ৰমণ। ভ্ৰমণ কালছোৱাত বিদেশ সচিবগৰাকীয়ে ভূটানৰ ৰজাৰ উপস্থিতিত একাংশ জনতাৰ সৈতে মত বিনিময় কৰিব। শ্ৰী মিস্ৰীয়ে দেশখনৰ প্ৰধানমন্ত্ৰী, বিদেশ পৰিক্ৰমা আৰু বিদেশ বাণিজ্য মন্ত্ৰীৰ সৈতে সাক্ষাৎ কৰাৰ লগতে ভূটান চৰকাৰৰ বৈদেশিক সচিব আৰু আন কেইবাজনো জ্যেষ্ঠ বিষয়াৰ সৈতে মত বিনিময় কৰিব। বিদেশ সচিবদ্বয়ে ভাৰত-ভূটান বিকাশ সহযোগিতা আলোচনাত সহ-অধ্যক্ষতা কৰিব। বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দুয়োখন দেশৰ মাজত নিয়মীয়াভাৱে অনুষ্ঠিত হৈ অহা উচ্চ পৰ্যায়ৰ আলোচনাৰ পৰম্পৰা ৰক্ষা কৰি এই ভ্ৰমণৰ কাৰ্যসূচী হাতত লোৱা হৈছে আৰু ই ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিকেই প্ৰতিফলিত কৰিছে।

000000000

ন্যায়াধীশ নংমেইকপম কোটিশ্বৰ সিং আৰু ন্যায়াধীশ আৰ মহাদেৱনে আজি উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি ৰূপে শপত গ্ৰহণ কৰে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ে ন্যায়াধীশ দুগৰাকীক শপতগ্ৰহণ কৰোৱায়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ন্যায়াধীশ নংমেইকপম কোটিশ্বৰ সিং জম্মু-কাশ্মীৰ আৰু লাডাখ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰূপে অধিষ্ঠিত থকাৰ বিপৰীতে ন্যায়াধীশ আৰ মহাদেৱন মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ বিচাৰপতিৰূপে নিযুক্ত আছিল।

000000000

জম্মু-কাশ্মীৰত আজি পুৱা ডোডা জিলাৰ বনাঞ্চলত সন্ত্ৰাসবাদীৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষত ভাৰতীয় সৈন্য বাহিনীৰ দুজন জোৱান আহত হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি কষ্টিগড় অঞ্চলৰ জদ্দন বাটা গাঁৱত এই সংঘৰ্ষ সংঘটিত হয়। অনুসন্ধান অভিযানৰ বাবে চৰকাৰী বিদ্যালয়ত স্থাপন কৰা অস্থায়ী নিৰাপত্তা শিবিৰত সন্ত্ৰাসবাদীয়ে গুলীচালনা কৰাৰ পাছত সুৰক্ষা বাহিনীয়েও প্ৰত্যুত্তৰত গুলীচালনা কৰে। দুয়োপক্ষৰ মাজত এঘণ্টাতকৈও অধিক সময়জুৰি চলা গুলীচালনাত সেনা বাহিনীৰ দুজন জোৱান আঘাতপ্ৰাপ্ত হয়। উল্লেখযোগ্য যে যোৱা সোম আৰু মঙলবাৰে সন্ত্ৰাসবাদীৰ আক্ৰমণত এজন কেপ্টেইনসহ সেনাবাহিনীৰ চাৰিগৰাকী সদস্য নিহত হোৱাৰ পাছত ডেচ্ছা আৰু ইয়াৰ সংলগ্ন বনাঞ্চলসমূহত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ব্যাপক অনুসন্ধান অভিযান অব্যাহত আছে।

000000000

সংসদৰ বাজেট অধিবেশন অহা ২২ জুলাইত আৰম্ভ হ’ব। এই অধিবেশনৰ ১২ আগষ্টত সামৰণি পৰিব। ২৩ জুলাইত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সদনত দাখিল কৰিব। বিত্ত মন্ত্ৰী সীতাৰমনে লোকসভা নিৰ্বাচনৰ পূৰ্বে অন্তৰৰ্তী বাজেট উত্থাপন কৰিছিল। এইবাৰৰ বাজেটে দেশৰ দ্ৰুত উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব পৰাকৈ বিভিন্ন সুবিধা নিশ্চিত কৰাৰ লগতে অধিক নিয়োগৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইতিমধ্যে পৰৱৰ্তী ৫টা বছৰ ভাৰতে দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত নিৰ্ণায়ক হ’ব বুলি মন্তব্য কৰিছে। উল্লেখযোগ্য যে ভাৰতীয় অৰ্থনীতিয়ে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৮ দশমিক ২ শতাংশ হাৰত বিকাশ লাভ কৰাৰ সময়ত এইবাৰৰ বাজেটে গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। সম্প্ৰতি বিশ্বৰ অন্যতম দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত ভাৰতৰ মুদ্ৰাস্ফীতি ৫ শতাংশতকৈ নিম্নগামী হৈছে।

0000000

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে দেওবাৰে এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলোধৰণৰ সহযোগিতা কামনা কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ’ব বুলি প্ৰকাশ কৰিছিল।

000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্য্যকালৰ প্ৰথম বছৰৰ ৭৫ টা গুৰুত্বপূৰ্ণ ভাষণৰ সংকলন **উইংছ টু আৱাৰ হোপ্‌ছ** গ্ৰন্থৰ প্ৰথমটো খণ্ড আজি নতুন দিল্লীত উন্মোচন কৰা হ’ব। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ উপস্থিতিত এই ই-বুকখন মুকলি কৰিব। কেন্দ্ৰীয় প্ৰকাশন বিভাগে এই গ্ৰন্থখন প্ৰকাশ কৰিছে। গ্ৰন্থখন হিন্দী আৰু ইংৰাজী ভাষাত মুকলি কৰা হ’ব।

000000

বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কৈছে যে কিছুমান ৰাজনৈতিক দলৰ দ্বাৰা হিংসা আৰু হত্যাৰ দৰে শব্দসমূহ ৰাজনৈতিক লাভালাভৰ উদ্দেশ্যে ব্যৱহাৰ কৰাটো খুবেই দুৰ্ভাগ্যজনক। নতুন দিল্লীত আজি সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰী ত্ৰিবেদীয়ে লগতে কয় যে জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বিনজ’ আবেৰ হত্যা আৰু কিছুদিনৰ পূৰ্বে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পৰ ওপৰত হোৱা আক্ৰমণে হিংসাত্মক পৰিস্থিতিৰ ভয়াৱহতা প্ৰমাণ কৰিছে। তেনেস্থলত বিৰোধী দলে বিভিন্ন সময়ত হিংসা আৰু হত্যাৰ দৰে শব্দৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সংপৃক্ত কৰি দিয়া ভাষ্যসমূহ অতিকৈ দুৰ্ভাগ্যজনক বুলিও মুখপাত্ৰগৰাকীয়ে মন্তব্য কৰে।

000000000

দেশত বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপ অনুসৰি অসমে বাল্য বিবাহ ৰোধৰ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত শীৰ্ষস্থানৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইণ্ডিয়া চাইল্ড প্ৰটেকচন আৰু বাল্য বিবাহ মুক্ত ভাৰত নামৰ সংস্থা দুটাৰ সমীক্ষা অনুসৰি অসম চৰকাৰে লোৱা পদক্ষেপৰ ফলত ৮১ শতাংশ বাল্য বিবাহ ৰোধ হৈছে। দেশৰ ভিতৰতে আদৰ্শ দাঙি ধৰা অসমৰ আৰ্হি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজসমূহকো আহ্বান জনাইছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ লোৱা কঠোৰ আইনী পদক্ষেপৰ বাবে বাল্য বিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে। সমীক্ষাৰ তথ্য অনুসৰি কালি নতুন দিল্লীত প্ৰকাশিত টুৱাৰ্ডছ জাষ্টিছ শীৰ্ষক প্ৰতিবেদনত অসমৰ বাল্য বিবাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ নীতি প্ৰশংসা কৰা হয়। বাল্য বিবাহ মুক্ত ভাৰতৰ প্ৰতিষ্ঠাপক ভূৱন ৰিবু আৰু ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা সংস্থাৰ অধ্যক্ষ প্ৰিয়ংক কাননগোয়ে এই প্ৰতিবেদন উন্মোচন কৰি সমগ্ৰ দেশৰ ভিতৰতে অসমত ২০২১-২২ চনৰ তুলনাত ২৩-২৪ বৰ্ষত ৰাজ্যখনত ৮১ শতাংশ বাল্য বিবাহ হ্ৰাস পোৱা বুলি প্ৰকাশ কৰে। প্ৰতিবেদনৰ তথ্য অনুসৰি ৰাজ্যখনৰ গ্ৰামাঞ্চলত ২০২১-২২ বৰ্ষত বাল্য বিবাহৰ ঘটনা ৩ হেজাৰ ২২৫ টা পৰা ২০২৪ চনত ৬২৭ টালৈ হ্ৰাস পাইছে। সমগ্ৰ দেশত প্ৰতি মিনিটত তিনিখনকৈ বাল্য বিবাহ সম্পন্ন হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

000000000

ভাৰতৰ সুমিত নাগলে আজি ছুইডিছ অ’পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ৩৬ সংখ্যক স্থানৰ আৰ্জেণ্টিনাৰ মৰিয়ানো নৱোনেৰ সন্মুখীন হ’ব। খেলখন আজি বিয়লি ছুইডেনৰ বষ্টাড টেনিছ ষ্টেডিয়ামৰ চেণ্টাৰ কোৰ্টত অনুষ্ঠিত হ’ব। নাগলে মঙলবাৰে প্ৰতিযোগিতাৰ এখন খেলত ছুইডেনৰ এলিয়াছ য়মেৰক ৬-৪, ৬-৩ পোনপটীয়া ছেটত পৰাভূত কৰে।

000000000

মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগতাৰ কাইলৈ শ্ৰীলংকাৰ ডাম্বুলাত আৰম্ভ হ’ব। প্ৰতিযোগিতাৰ আটাইকেইখন খেল ৰনগিৰি ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলোৱা হ’ব। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখন কাইলৈ গ্ৰুপ এৰ দল নেপাল আৰু ইউ এ ইৰ মাজত অনুষ্ঠিত হ’ব। ইয়াৰ পাছতে যোৱাবাৰৰ চেম্পিয়ন ভাৰত গ্ৰুপ এৰ আন এখন খেলত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাত ভাৰতক পাকিস্তান, নেপাল আৰু ইউ এ ইৰ সৈতে গ্ৰুপ ‘এ’ত স্থান দিয়া হৈছে। আনহাতে আয়োজক দেশ শ্ৰীলংকা, বাংলাদেশ, থাইলেণ্ড আৰু মালয়েছিয়াক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। দুয়োটা গ্ৰুপৰ শীৰ্ষৰ দল দুটাৰ

মাজত ২৬ জুলাইত ছেমি ফাইনেল অনুষ্ঠিত হ'ব। আনহাতে, ফাইনেল খেলখন ২৮ জুলাইত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্ৰতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে।

০০০০০০০০০

সূৰ্য কুমাৰ যাদৱে কালি জাৰি কৰা পুৰুষৰ আই চি চি টি-২০ বেটিঙৰ বাছনি তালিকাত দ্বিতীয় স্থান অক্ষুন্ন ৰাখিছে। ভাৰতৰ আন এগৰাকী খেলুৱৈ যশস্বী জয়ছ্বালে তালিকাত ষষ্ঠ স্থান লাভ কৰিছে। আনহাতে, ৰুতুৰাজ গাইকোৱাড এটা স্থান তললৈ নামি অষ্টম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। অলপতে জিম্বাব'ৱেৰ বিৰুদ্ধে অনুষ্ঠিত টি-২০ শৃংখলাত ৪-১ ফলাফলত জয়লাভ কৰাৰ বাবে শেহতীয়া বাছনি তালিকাত ভাৰতীয় খেলুৱৈসকলৰ স্থান উন্নীত হৈছে।

০০০০০০০০০

**সমাপ্ত**